
Department of Archives, Archaeology & Museums, Jammu
NATIONAL SERVICE SCHEME
NATIONAL INTEGRATION CAMP
Venue : GCW Parade Ground, Jammu and GCW Gandhi Nagar
From 3rd to 9th January, 2025
CONTINGENT : DIBRUGARH UNIVERSITY, ASSAM
GPS Map Camera
Jammu
Pv85+5rq, Bikram Chowk, 4th Tawi Bridge To Bikram Chowk, Sanjay Nagar, Jabah, Jammu, 180003,
Lat 32.71564° Long 74.859833°
08/01/2025 10:29 AM GMT +05:30
Google


BEST NSS TEAM
FIRST PRIZE
FOLK SONG


Ministry of Youth Affairs and Sports
National Service Scheme (Regional Directorate, Delhi, GOI)
National Integration Camp
3rd to 9th January, 2025
Jointly organised by
"SAANIDHYAM"
THE
HOSTEL BLOCK
OLD BLOCK

# খোৱাং মহাবিদ্যালয়ৰ এনএছএছ গোটৰ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত কৃতিত্ব অৰ্জন




নিয়মীয়া বাৰ্তা, খোৱাং, ১১ জানুৱাৰী ঃ খোৱাং অঞ্চলৰ অগ্ৰণী শিক্ষানুষ্ঠান খোৱাং মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (এনএছএছ) ৰ গোটে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা তথা অসমক প্ৰতিনিধিত্ব কৰি যোৱা ৩ জানুৱাৰীৰ পৰা ৯ জানুৱাৰীলৈ জম্মুত আয়োজিত ৰাষ্ট্ৰীয় একতা শিবিৰত অংশগ্ৰহণ কৰি অসমৰ লগতে ডিব্ৰুগড় জিলাৰ খোৱাঙলৈ গৌৰৱ কঢ়িয়াই আনিছে। জম্মু আৰু কাশ্মীৰ চৰকাৰৰ উচ্চ শিক্ষা বিভাগে আয়োজন কৰা এই শিবিৰৰ মূল উদ্দেশ্য কেন্দ্ৰীভূত আছিল এনএছএছৰ যোগেদি মহিলা সবলীকৰণ আৰু মুক্তি। ডিব্ৰুগড় বিশ্ববিদ্যালয় তথা অসমক প্ৰতিনিধিত্ব কৰা খোৱাং মহাবিদ্যালয়ৰ সাতজনীয়া দলটোৰ নেতৃত্ব দিছিল এনএছএছৰ কাৰ্যক্ৰম বিষয়া কাকলি বন্যা গগৈয়ে। উল্লেখযোগ্য যে এই শিবিৰত দলটিয়ে লোক-সংগীতত প্ৰথম স্থান লোকনৃত্যত দ্বিতীয় স্থান আৰু শিবিৰৰ 'সৰ্বশ্ৰেষ্ঠ দল'ৰ খিতাপ লাভ কৰে। খোৱাং মহাবিদ্যালয়ৰ সাতজনীয়া দলটিত আছিল মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱক দীপশিখা দত্ত, তৃষা চাংমাই, লাকী বৰা, ৰেণিতা বুঢ়াগোহাঁই, লিজা গগৈ, সৃষ্টি চেতিয়া আৰু ধৰিত্ৰী দেৱী শইকীয়াই। উল্লেখ্য যে ভাৰতৰ ১৭খন ৰাজ্যৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ২০০গৰাকী স্বেচ্ছাসেৱকে এই শিবিৰত অংশগ্ৰহণ কৰিছিল। মহাবিদ্যালয়ৰ এই কৃতিত্ব ছাত্ৰী আৰু কাৰ্যক্ৰম বিষয়াৰ কঠোৰ পৰিশ্ৰম, উদ্যম আৰু প্ৰতিভাৰ প্ৰতিফলন, যি পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীৰ মাজত একাগ্ৰতা আৰু একতাৰ সৃষ্টি কৰিব বুলি মহাবিদ্যালয় পৰিয়াল তথা খোৱাং অঞ্চলৰ ৰাইজে মত প্ৰকাশ কৰে।

# উজলিল খোৱাং কলেজৰ এন এছ এছ গোট

**প্ৰতিবেদক, খোৱাং, ৯ জানুৱাৰী ঃ** জম্মুত যোৱা ৩ জানুৱাৰী পৰা ৯ দিনীয়াকৈ অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় একতা শিবিৰত ডিব্ৰুগড় বিশ্ববিদ্যালয় তথা অসমক প্ৰতিনিধিত্ব কৰা বৃহত্তৰ খোৱাং অঞ্চলটোৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান খোৱাং মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ (এন এছ এছ) সাতজনীয়া দলটিয়ে লোক সংগীতত প্ৰথম স্থান, লোক নৃত্যত দ্বিতীয় স্থান আৰু শিবিৰৰ সৰ্বশ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰি খোৱাং মহাবিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। জম্মু আৰু কাশ্মীৰ চৰকাৰৰ উচ্চশিক্ষা বিভাগে আয়োজন কৰা এই শিবিৰৰ মূল উদ্দেশ্য কেন্দ্ৰীভূত আছিল এন এছ এছৰ যোগেদি মহিলা সবলীকৰণ আৰু মুক্তিৰ ওপৰত। ডিব্ৰুগড় বিশ্ববিদ্যালয় তথা অসমক প্ৰতিনিধিত্ব কৰা খোৱাং মহাবিদ্যালয়ৰ সাতজনীয়া দলটোৰ নেতৃত্ব দিছিল খোৱাং মহাবিদ্যালয়ৰ এনএছএছৰ কাৰ্যক্ৰম বিষয়া কাকলি বন্যা গগৈয়ে। দলটোত আছিল ক্ৰমে দিপশিখা দত্ত, তৃষা চাংমাই, লাকী বৰা, ৰেনিতা বুঢ়াগোহাঁই, লিজা গগৈ, সৃষ্টি চেতিয়া আৰু ধৰিত্ৰী দেৱী শইকীয়া। উল্লেখ্য যে ভাৰতৰ ১৭ খন ৰাজ্যৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ২০০ গৰাকী স্বেচ্ছাসেৱকে এই শিবিৰত অংশগ্ৰহণ কৰিছিল। ইফালে মহাবিদ্যালয়ৰ এই খিতাপ অৰ্জনত শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উৎফুল্লিত হৈ পৰিছে।


WINNER
Dr. Trailokya Dehingia
Principal

# ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত খোৱাং মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ কৃতিত্ব




**খোৱাং ঃ** নিজা প্ৰতিবেদক, ১৭ জানুৱাৰী ঃ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ (এন এছ এছ) খোৱাং মহাবিদ্যালয়ৰ গোটে ডিব্ৰুগড় বিশ্ববিদ্যালয় তথা অসমক প্ৰতিনিধিত্ব কৰি ৩ জানুৱাৰীৰ পৰা ৯ জানুৱাৰীলৈকে জম্মুৰ গভৰ্নমেণ্ট কলেজ ফৰ ৱমেন, পেৰেড গ্ৰাউণ্ড আৰু গভৰ্নমেণ্ট কলেজ ফৰ ৱমেন, গান্ধী নগৰে যুটীয়াভাৱে আয়োজন কৰা মহিলাৰ ৰাষ্ট্ৰীয় একতা শিবিৰত অংশগ্ৰহণ কৰে। জম্মু আৰু কাশ্মীৰ চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ পৃষ্ঠপোষকতাত আয়োজন কৰা এই শিবিৰৰ মূল উদ্দেশ্য কেন্দ্ৰীভূত আছিল এন এছ এছৰ যোগেদি মহিলা সবলীকৰণ আৰু স্বাধীনতা। ডিব্ৰুগড় বিশ্ববিদ্যালয় তথা অসমক প্ৰতিনিধিত্ব কৰি যোৱা খোৱাং মহাবিদ্যালয়ৰ সাতজনীয়া দলটোৰ নেতৃত্ব দিছিল এন এছ এছৰ কাৰ্যক্ৰম বিষয়া কাকলি বন্যা গগৈয়ে। উল্লেখযোগ্য যে শিবিৰত দলটোৱে লোক সংগীতত প্ৰথম স্থান, লোক নৃত্যত দ্বিতীয় স্থান আৰু শিবিৰৰ 'সৰ্বশ্ৰেষ্ঠ দল'ৰ খিতাপ লাভ কৰি খোৱাং মহাবিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। খোৱাং মহাবিদ্যালয়ৰ সাতজনীয়া দলটোত আছিল মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱক দীপশিখা দত্ত, তৃষা চাংমাই, লাকী বৰা, ৰেণিতা বুঢ়াগোহাঁই, লিজা গগৈ, সৃষ্টি চেকিয়া আৰু ধৰিত্ৰী দেৱী শইকীয়া। উল্লেখযোগ্য যে ভাৰতৰ ১৭খন ৰাজ্যৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ২০০ গৰাকী স্বেচ্ছাসেৱকে এই শিবিৰত অংশ গ্ৰহণ কৰিছিল।